অধ্যায় ১৩ ঃ ছন্দোমঞ্জৰী (মন্দাক্রান্তা, ৰুচিৰা আৰু মালিনী)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ আলোচনা কৰিবলৈ লোৱা ছন্দৰ নাম আৰু সেইবোৰৰ পৰিচয়

১৩.৩.১ মন্দাক্রান্তা ছন্দৰ সূত্র, উদাহৰণ সহ আলোচনা আৰু আন এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

১৩.৩.২ ৰুচিৰা ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু আন এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

১৩.৩.৩ মালিনী ছন্দৰ সূত্র, উদাহৰণ সহ আলোচনা আৰু আন এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৫ অধিক জানিবলৈ

১৩.৬ অগ্রগতিৰ খতিয়ান

১৩.৭ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মন্দাক্রান্তা ছন্দৰ সূত্র তাৰ উদাহৰণ আৰু এটি অতিৰিক্ত উদাহৰণ বিশ্লেষণ কৰা দেখিবলৈ পাব
- ৰুচিৰা ছন্দৰ সূত্র তাৰ উদাহৰণ আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ অধ্যয়ন কৰিব পাৰিব
- মালিনী ছন্দৰ সূত্র, উদাহৰণ আৰু এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণো অধ্যয়ন কৰিব পাৰিব
- আলোচনা কৰিবলৈ লোৱা ছন্দৰ গণবোৰৰ লগত পৰিচিত হ'ব
- ছন্দৰ সূত্রত থকা যতি সম্পর্কীয় সঙ্কেতৰ কথাও জানিব।

১৩.২ পৰিচয়

আপুনি ইতিমধ্যে ছন্দৰ বিষয়ে অধ্যয়ন কৰিছে। ছন্দৰ প্রয়োজনীয় বিষয়ৰ কথাও অধ্যয়ন কৰিছে। আপুনি অধ্যয়ন কৰা ছন্দবোৰ সমবৃত্তীয়। যিবোৰ ছন্দৰ প্রত্যেক চৰণৰ বর্ণৰ সংখ্যা সমান সেইবোৰকেই সমবৃত্ত বুলি কোৱা হয়।

আপুনি এই অধ্যায়ত মন্দাক্রান্তা, ৰুচিৰা, মালিনী আৰু স্ৰগ্ধৰা ছন্দৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব। ইয়াত আলোচনা কৰিবলৈ লোৱা ছন্দৰ সূত্ৰতেই ছন্দটিৰ চৰণত থকা কিমানটি বৰ্ণৰ পিছত যতি পৰিব তাৰ সঙ্কেত থকা শব্দৰ ব্যৱহাৰো পাব। ছন্দত ৰচিত শ্লোকৰ চৰণত উশাহ সলাবলৈ অলপ সময় ৰব লাগে। তেনেকুৱা বিৰতি লোৱাক যতি বুলি কোৱা হয়।

সংস্কৃত ভাষাত কিছুমান শব্দ কিছুমান সংখ্যাক বুজাবলৈ ব্যৱহাৰ কৰা হয়। উদাহৰণ হিচাপে 'ৰস' শব্দটো সংখ্যাবাচক ছয়ক বুজাবলৈ ব্যৱহাৰ কৰা হয়। 'অম্বুধি' শব্দটি চাৰিক বুজাবলৈ ব্যৱহাৰ হয়। 'নগ' শব্দ সাতক বুজাবলৈ ব্যৱহাৰ কৰা হয়।

আপুনি এই অধ্যায়তো "∪" এই চিনটো একমাত্ৰা বিশিষ্ট লঘুস্বৰক বুজাবলৈ ব্যৱহাৰ হোৱা দেখা পাব। তেনেদৰে দুইমাত্ৰা বিশিষ্ট গুৰু বৰ্ণক বুজাবলৈ "—" চিনটোৰ ব্যৱহাৰ পাব। আলোচনা কৰিবলৈ লোৱা ছন্দবোৰত আপুনি য, ৰ, ত, ভ, জ, স, ম আৰু ন গণৰ প্ৰয়োগহে পাব। গতিকে এই গণবোৰৰ লক্ষণ তলত দেখুৱা হ'ল—

∪ — — = য, — ∪ — = ৰ, — — ∪ = ত,
— ∪ ∪ = ভ, ∪ — ∪ = জ, ∪ ∪ — = স,
— — — = ম, ∪ ∪ ∪ = ন, ল = লঘু, গ = গুৰু

আমি আলোচনা কৰিবলৈ লোৱা মন্দাক্রান্তা ছন্দৰ প্ৰত্যেকটি চৰণত সোতৰটিকৈ বৰ্ণ থাকে। ইয়াৰ চাৰিওটি চৰণৰ বৰ্ণৰ সংখ্যা আঠষষ্ঠী হয়গৈ। ৰুচিৰা ছন্দত প্ৰত্যেক চৰণ তেৰটা বৰ্ণৰ কাৰণেই ইয়াত মুঠ বৰ্ণৰ সংখ্যা দুইকুৰি বাৰটা। মালিনী ছন্দৰ চৰণত পোন্ধৰটাকৈ বৰ্ণ থাকে আৰু ইয়াত মুঠ বৰ্ণৰ সংখ্যা ষাঠি। স্ৰগ্ধৰা ছন্দৰ প্ৰত্যেক চৰণত একৈছটিকৈ বৰ্ণ থাকে। উক্ত ছন্দৰ চাৰিওটি চৰণৰ মুঠ বৰ্ণসংখ্যা হয়গৈ চাৰিকুৰি চাৰি।

আপুনি জানিব লাগিব যে ছন্দৰ সূত্ৰত গণবোৰ একাদিক্ৰমে উল্লেখ কৰাৰ দৰেই গণৰ স্থিতি আপুনি লিখিব লাগিব। গণবোৰ সূত্ৰত থকাৰ দৰেই নিলিখি অগা-পিছাকৈ লিখিব নালাগে। তদুপৰি ছন্দৰ সূত্ৰত যতি নিৰ্দেশ সূচক শব্দবোৰ যিটো ক্ৰমত দিয়া থাকে ঠিক সেই ক্ৰম মতেই যতি ব্যৱহাৰ কৰিব লাগে। উদাহৰণ হিচাপে 'ৰুচিৰা' ছন্দৰ চৰণত থকা তেৰটা বৰ্ণৰ ভিতৰত প্ৰথমতে চাৰিটা বৰ্ণ আৰু তাৰ পাছত নটা বৰ্ণৰ পিছত যতি পৰিব। আপুনি যদি প্ৰথমতে নটি বৰ্ণৰ মূৰত যতি ব্যৱহাৰ কৰি পিছত চাৰিটা বৰ্ণৰ মূৰত যতি ব্যৱহাৰ কৰে তেন্তে সেইটো ভুল হব। তেনেদৰে মন্দাক্রান্তা ছন্দৰ শ্লোকৰ চৰণৰ প্ৰথমতে চাৰিটি বৰ্ণ, তাৰ পিছত আকৌ ছয়টি বৰ্ণ আৰু শেষত সাতটি বৰ্ণৰ মূৰত যতি হব। কাৰণ, মন্দাক্রান্তা ছন্দৰ সূত্ৰত প্ৰথমতে 'অম্বুধি' শব্দ, তাৰ পিছত 'ৰস' শব্দ আৰু তাৰ পিছত 'নগ' শব্দ আছে। উক্ত তিনিটা শব্দই যথাক্ৰমে চাৰি, ছয় আৰু সাতক বুজায়। সেইকাৰণেই আপুনি যদি প্ৰথমতেই সাতটাৰ পিছত যতি ব্যৱহাৰ কৰে তেন্তে সেইটো ভুল হ'ব।

যতিৰ উল্লেখৰ ক্ৰম মতে যতিৰ ব্যৱহাৰ কৰাৰ দৰে গণৰ ক্ৰমো কেতিয়াও ভঙ্গ কৰিব নোৱাৰে। ছন্দৰ সূত্ৰত গণসমূহ যি ক্ৰমত উল্লেখ কৰা থাকে ঠিক তেনে ক্ৰমতেই লিখিব লাগে।

১৩.৩ আলোচনা কৰিবলৈ লোৱা ছন্দৰ নাম আৰু সেইবোৰৰ চমু পৰিচয়

আপুনি ইতিমধ্যে ছন্দৰ কথা অলপ অধ্যয়ন কৰিছে। ইয়াত আপুনি চাৰিটা ছন্দৰ বিষয়ে বিস্তৃতভাৱে জানিব। সেই চাৰিটা ছন্দ হৈছে মন্দাক্রান্তা, ৰুচিৰা, মালিনী আৰু স্রগ্ধৰা। এই চাৰিওটা ছন্দই সমবৃত্তীয়। কাৰণ, এইবোৰৰ প্রত্যেকৰেই চৰণৰ বর্ণ সংখ্যা সমান।

মন্দাক্রান্তা ছন্দ সাধাৰণতে বিৰহ, বিচ্ছেদ, বর্ষাঋতু আদিৰ প্রসঙ্গত ব্যৱহাৰ হয়। মহাকৰি কালিদাসৰ 'মেঘদূত' নামৰ কাব্যখন আদিৰ পৰা অন্তলৈকে মন্দাক্রান্তা ছন্দত ৰচিত। মন্দাক্রান্তা ছন্দৰ প্রত্যেক চৰণত ম, ভ, ন, ত, ত গণ থাকে আৰু শেষৰ বর্ণ দুটা গুৰু হয়। ৰুচিৰা ছন্দৰ চৰণত জ, ভ, স, জ গণ থাকে আৰু শেষৰ বর্ণটো গুৰু হব লাগে। মালিনী ছন্দৰ প্রত্যেক চৰণ ন, ন, ম, য আৰু য গণেৰে গঠিত হয়। স্রগ্ধৰা ছন্দৰ চৰণত ম, ৰ, ভ, ন, য,য আৰু য গণ থাকিব লাগে।

আপুনি এই চাৰিওটি ছন্দ অধ্যয়ন কৰোঁতে প্রত্যেকটোৰ সূত্রত যতিৰ সঙ্কেত থকা দেখিবলৈ পাব। মালিনী ছন্দক মানিনী বুলিও কোৱা হয়।

১৩.৩.১ মন্দাক্রান্তা ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু আন এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

আপুনি ইতিমধ্যে ছন্দৰ বিষয়ে কিছু কথা জানিব পাৰিছে। সমবৃত্ত ছন্দৰ কথাও অধ্যয়ন কৰিছে।

ইয়াত মন্দাক্রান্তা নামৰ সমবৃত্তৰ সূত্রৰ ব্যাখ্যা আৰু উদাহৰণৰ বিশ্লেষণ অধ্যয়ন কৰিব।

গঙ্গাদাসৰ ছন্দোমঞ্জৰীত মন্দাক্রান্তা ছন্দটিৰ লক্ষণ এইদৰে নির্ণয় কৰা হৈছে—

"মন্দাক্রান্তাহম্বুধিৰসনগৈর্মো ভনৌ তৌ গযুগ্মম্"।

মন্দাক্রান্তা অম্বুধিৰসনগৈঃ মঃ ভনৌ (ভঃ চ নঃ চ) তৌ (তঃ চ তঃ চ) গ যুগ্মম্। ম গণ, ভ গণ, ন গণ, ত গণ, ত গণ আৰু শেষত দুটা গ (গুৰু) বর্ণ থাকিলে তাক মন্দাক্রান্তা বুলি কোৱা হয়। ইয়াত প্রথমতে চাৰিটা (অম্বুধি) বর্ণৰ পিছত, তাৰপিছত আকৌ ছটা বর্ণৰ পিছত আৰু শেষত আকৌ সাতটা বর্ণৰ পিছত যতিৰ ব্যৱহাৰ হয়।

মন্দাক্রান্তা ছন্দৰ চৰণত থকা গণবোৰৰ অৱস্থিতি এইধৰণৰ --

ম	ভ	ন	ত	ত	গ গ
— — —	— ∪ ∪	∪ ∪ ∪	— — ∪	— — ∪	— —

গণৰ স্থিতিৰ পৰা দেখা যায় যে ইয়াত পঞ্চম, ষষ্ঠ, সপ্তম, অষ্টম, নৱম, দ্বাদশ আৰু পঞ্চদশ বর্ণ লঘু। চৰণত থকা বাকী বর্ণ অর্থাৎ প্রথম, দ্বিতীয়, তৃতীয়, চতুর্থ, দশম, একাদশ, ত্রয়োদশ, চতুর্দশ, ষোড়শ আৰু সপ্তদশ বর্ণ গুৰু।

ইয়াত প্রথমতে ভ-গণৰ প্রথম বর্ণৰ পিছত যতি পৰিব। আকৌ প্রথমটো ত গণৰ প্রথম বর্ণৰ পিছত যতি পৰিব আৰু তৃতীয়বাৰ আকৌ চৰণৰ শেষত যতি পৰিব।

মন্দাক্রান্তা ছন্দৰ উদাহৰণ হিচাপে তলত এটি শ্লোক উল্লেখ কৰা হ'ল—

ম	ভ	ন	ত	ত	গ গ
— — —	— ∪ ∪	∪ ∪ ∪	— — ∪	— — ∪	— —
প্রেমালা	পৈঃপ্রিয়	বি ত ৰ	ণৈঃপ্রীণি	তা লি ঙ্গ	না দ্যৈ-
— — —	— ∪ ∪	∪ ∪ ∪	— — ∪	— — ∪	— —
ম ন্দাক্রা	ন্তা ত দ	নু নি য়	তংবশ্য	তা মে তি	বালা।
— — —	— ∪ ∪	∪ ∪ ∪	— — ∪	— — ∪	— —
এৱংশি	ক্ষা ৱ চ	ন সু ধ	য়া ৰা ধি	কা য়াঃস	খীনাং
— — —	— ∪ ∪	∪ ∪ ∪	— — ∪	— — ∪	— —
প্রীতঃপা	য়াৎস্মিত	সু ৱ দ	নোদেৱ	কীনন্দ	নো নঃ।

উদ্ধৃত শ্লোকফাঁকিৰ প্ৰত্যেক চৰণত সোতৰটিকৈ বৰ্ণ আছে। প্ৰত্যেক চৰণৰ বৰ্ণবোৰৰ হ্ৰস্ব আৰু দীৰ্ঘ মাত্ৰা নিৰ্ণয় কৰা হৈছে। তিনিটাকৈ বৰ্ণৰ যোগত একোটা গণ নিৰ্দ্ধাৰণ কৰা হৈছে। গণবোৰৰ লক্ষণ অনুসৰি দেখা যায় যে প্ৰত্যেক চৰণত ম, ভ, ন, ত, ত গণ আৰু শেষৰ দুটা বৰ্ণ দ্বিমাত্ৰাবিশিষ্ট গুৰু বৰ্ণ হৈছে। মন্দাক্রান্তা ছন্দৰ সূত্ৰ মতে উদ্ধৃত শ্লোকত মন্দাক্রান্তাৰ সকলো লক্ষণ আছে। সেইকাৰণেই শ্লোকফাঁকিক মন্দাক্রান্তা ছন্দৰ উদাহৰণ হিচাপে গ্ৰহণ কৰিব পাৰি।

শ্লোকফাঁকিৰ চৰণত বৰ্ণবোৰৰ মাত্ৰা নিৰূপণ কৰোঁতে "∪" চিনটো লঘু আৰু "—" চিনটো গুৰু স্বৰক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে।

আপুনি মন্দাক্রান্তা ছন্দ উদাহৰণসহ অধ্যয়ন কৰাৰ পিছত আন এটি বেলেগ উদাহৰণৰ বিশ্লেষণ অধ্যয়ন কৰিবলৈ পাব। ওপৰত উদ্ধৃত উদাহৰণটি গঙ্গাদাসৰ ছন্দোমঞ্জৰীৰ পৰা লোৱা হৈছে।

ইয়াত মেঘদূত কাব্যৰ পৰা আন এটি শ্লোক বিশ্লেষণ কৰা হব। আপুনি প্ৰশ্নৰ উত্তৰ দিওঁতে মাত্ৰ এটা শ্লোকহে বিশ্লেষণ কৰিব লাগিব। মেঘদূতৰ শ্লোকফাঁকি তলত উদ্ধৃত কৰা হ'ল—

ম	ভ	ন	ত	ত	গ গ
— — —	— ∪ ∪	∪ ∪ ∪	— — ∪	— — ∪	— —
কশ্চিৎকা	ন্তা বি ৰ	হ গু ৰু	ণাস্বাধি	কা ৰাৎপ্ৰ	মত্তঃ
— — —	— ∪ ∪	∪ ∪ ∪	— — ∪	— — ∪	— —
শাপেনা	স্ত ঙ্গ মি	ত ম হি	মা ব র্ষ	ভোগ্যেন	ভর্ত্তুঃ।
— — —	— ∪ ∪	∪ ∪ ∪	— — ∪	— — ∪	— —
য ক্ষ শ্চ	ক্রে জ ন	ক ত ন	য়া স্না ন	পুণ্যোদ	কেষু
— — —	— ∪ ∪	∪ ∪ ∪	— — ∪	— — ∪	— —

স্নিগ্ধচ্ছা | য়াত ৰু | যু ব স | তিং ৰাম | গির্য্যাশ্র | মেযু।।

উদ্ধৃত শ্লোকফাঁকিৰ প্রত্যেক চৰণত সোতৰটিকৈ বর্ণ আছে। প্রত্যেক চৰণৰ বর্ণবোৰৰ মাত্রা নিৰূপণ কৰা হৈছে। তাৰ পিছত তিনিটাকৈ বর্ণৰ গোটত একো একোটাকৈ গণ নির্দ্ধাৰণ কৰা হৈছে। গণবোৰৰ লক্ষণৰ আধাৰত প্রত্যেক চৰণত ম গণ, ভ গণ, ন গণ, ত গণ, ত গণ পোৱা গৈছে আৰু শেষৰ দুটা বর্ণ গুৰু (অর্থাৎ দুই মাত্রাৰ স্বৰ) হৈছে।

সেই কাৰণেই এই শ্লোকফাঁকিক মন্দাক্রান্তা ছন্দৰ উদাহৰণ হিচাপে গ্রহণ কৰিব পাৰি।



জানি থোৱা ভাল

- আপুনি জনা উচিত যে চৰণত থকা ‘ৎ’ (খণ্ড ত) কেতিয়াও বর্ণ হিচাপে গণনা কৰিব নালাগে।
- যিকোনো ছন্দৰ উদাহৰণ হিচাপে লিখা শ্লোকটিৰ প্রত্যেক চৰণৰ বর্ণসমূহৰ লঘু আৰু গুৰু বিচাৰ কৰি গণ ঠিক কৰি গণৰ নাম কেৱল চৰণটিত লিখিলেই হয়। অৱশিষ্ট তিনিটা চৰণত কেৱল তিনিটা বর্ণৰ মূৰে মূৰে দীঘল আঁচ এডাল দি থলেই হ’ব। এটা ছন্দৰ কাৰণে কেৱল এটা শ্লোক উদাহৰণ হিচাপে বিশ্লেষণ কৰিব লাগিব।
- কেৱল এটা গুৰুবর্ণ বা এটা লঘুবর্ণক গণ বুলি নক’ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মন্দাক্রান্তা ছন্দৰ প্রত্যেকটি চৰণত কেইটাকৈ বর্ণ থাকে?

.....

প্রশ্ন নং ২ ঃ কোনখন কাব্য আদিৰ পৰা শেষলৈকে মন্দাক্রান্তা ছন্দত ৰচিত?

.....

প্রশ্ন নং ৩ ঃ মন্দাক্রান্তা ছন্দৰ চৰণৰ গণ আৰু গুৰুবর্ণৰ অৱস্থান সূত্রৰ ক্রম মতে লিখক।

.....

প্রশ্ন নং ৪ ঃ মন্দাক্রান্তা ছন্দৰ সূত্রত থকা অম্বুধি, ৰস আৰু নগ শব্দ কি কি সংখ্যাক বুজাবলৈ প্রয়োগ কৰা হৈছে লিখক।

.....

প্রশ্ন নং ৫ ঃ “মন্দাক্রান্তা ছন্দৰ সূত্রটোও মন্দাক্রান্তা ছন্দত ৰচিত।” —এই বাক্যটো শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্রশ্ন নং ৬ ঃ মন্দাক্রান্তা ছন্দৰ সূত্রত থকা বর্ণবোৰৰ লঘু আৰু গুৰু বিচাৰ কৰক আৰু লগতে গণৰ লক্ষণ মতে তিনিটাকৈ বর্ণৰ যোগত হোৱা গণৰ নামবোৰ লিখক।

.....

.....

১৩.৩.২ ৰুচিৰা ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু আন এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

আপুনি মন্দাক্রান্তা ছন্দৰ সূত্র আৰু উদাহৰণৰ বিশ্লেষণ অধ্যয়ন কৰিলে। এতিয়া ইয়াত আপুনি ৰুচিৰা ছন্দৰ বিষয়ে জানিব পাৰিব।

ছন্দোমঞ্জৰীত ৰুচিৰা ছন্দৰ সূত্র এইদৰে দিয়া হৈছে—

"জভৌ সজৌ গিতি ৰুচিৰা চতুর্গ্রহৈঃ।"

জভৌ (জঃ চ ভঃ চ) সজৌ (সঃ চ জঃ চ) গ্ ইতি ৰুচিৰা চতুঃগ্রহৈঃ।

অর্থাৎ জ গণ, ভ গণ, স গণ আৰু জ গণ থাকিলে আৰু শেষৰ বর্ণটো গুৰু হলে তাক ৰুচিৰা বুলি কোৱা হয়। এই ছন্দত প্রথমতে চাৰিটা বর্ণৰ পিছত আৰু তাৰ পিছত আকৌ নটা বর্ণৰ পিছত যতি পৰে।

সূত্রত থকা 'চতুঃ' পদে চাৰি আৰু 'গ্রহ' পদে নক বুজায়।

ৰুচিৰা ছন্দত গণৰ স্থিতি এনেকুৱা—

জ	ভ	স	জ	গ
∪ — ∪	— ∪ ∪	∪ ∪ —	∪ — ∪	—

গণবোৰৰ স্থিতিৰ পৰা দেখা যায় যে ৰুচিৰা ছন্দত দ্বিতীয়, চতুর্থ, নৱম, একাদশ আৰু ত্রয়োদশ বর্ণ গুৰু আৰু অৱশিষ্ট বর্ণ অর্থাৎ প্রথম, তৃতীয়, পঞ্চম, ষষ্ঠ, সপ্তম, অষ্টম, দশম আৰু দ্বাদশ বর্ণ লঘু। ৰুচিৰা ছন্দৰ প্রত্যেক চৰণত তেৰটিকৈ বর্ণ আছে। এইটো সমবৃত্তীয় ছন্দ।

ৰুচিৰা ছন্দৰ উদাহৰণ হিচাপে এটি শ্লোক উল্লেখ কৰা হ'ল—

জ	ভ	স	জ	গ
∪ — ∪	— ∪ ∪	∪ ∪ —	∪ — ∪	—
পু নাতু	বোহৰি	ৰতি ৰা	স বি ভ্র	মী
∪ — ∪	— ∪ ∪	∪ ∪ —	∪ — ∪	—
প ৰি ভ্র	মন্ব্রজ	ৰুচিৰা	ঙ্গনান্ত	ৰে।
∪ — ∪	— ∪ ∪	∪ ∪ —	∪ — ∪	—
সমীৰ	ণোল্লসি	তলতা	ন্ত ৰাল	গো
∪ — ∪	— ∪ ∪	∪ ∪ —	∪ — ∪	—
য থাম	ৰু ত্ত ৰ	ল ত মা	লভূৰু	হঃ।।

উদ্ধৃত শ্লোকফাঁকিৰ প্ৰত্যেকটি চৰণত তেৰটাকৈ বৰ্ণ আছে। সেই বৰ্ণবোৰৰ মাত্ৰা নিৰূপণ আৰু তিনিটাকৈ বৰ্ণৰ যোগত গণ নিৰ্দ্ধাৰণ কৰা হৈছে। গণবোৰৰ লক্ষণৰ ফালৰ পৰা জ গণ, ভ গণ, স গণ আৰু জ গণ হোৱা দেখা হৈছে। শেষৰ বৰ্ণটো গুৰু (গ) হৈছে।

শ্লোকফাঁকিত প্ৰথমতে চতুৰ্থ বৰ্ণ আৰু পিছত নৱম বৰ্ণত যতি পৰিছে।

এই শ্লোকফাঁকিত ৰুচিৰা ছন্দৰ লক্ষণ থকাত ইয়াক ৰুচিৰা ছন্দৰ উদাহৰণ হিচাপে গ্ৰহণ কৰিব পাৰি।

আপুনি ৰুচিৰা ছন্দৰ সূত্ৰ আৰু উদাহৰণৰ ব্যাখ্যা অধ্যয়ন কৰিলে। উদ্ধৃত শ্লোকফাঁকি ছন্দোমঞ্জৰীৰ পৰা লোৱা হৈছে।

এতিয়া ইয়াত আন এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ অধ্যয়ন কৰিব পাৰিব। কালিদাসৰ অভিজ্ঞান শকুন্তলম্ নাটকৰ পৰা এই শ্লোকফাঁকি উদ্ধৃত কৰা হৈছে।

জ ভ স জ গ

∪ — ∪ | — ∪ ∪ | ∪ ∪ — | ∪ — ∪ | —

প্ৰ ৰ ৰ্ত্ত | তাংপ্ৰকৃ | তিহিতা | য়পাৰ্থি | ৰঃ

∪ — ∪ | — ∪ ∪ | ∪ ∪ — | ∪ — ∪ | —

স ৰ স্ব | তীশ্ৰুতি | মহতাং | ম হী য় | তাম্।

∪ — ∪ | — ∪ ∪ | ∪ ∪ — | ∪ — ∪ | —

ম মাপি | চক্ষ প | তুয় নী | ললোহি | তঃ

∪ — ∪ | — ∪ ∪ | ∪ ∪ — | ∪ — ∪ | —

পু ন র্ভ | ৱংপৰি | গ তশ | ক্তিৰাত্ম | ভূঃ।।

উদ্ধৃত শ্লোকফাঁকিৰ প্ৰত্যেক চৰণত তেৰটাকৈ বৰ্ণ আছে। চৰণত থকা বৰ্ণবোৰৰ মাত্ৰা নিৰ্ণয় কৰি তিনিটাকৈ মাত্ৰাৰ সমষ্টিত গণ নিৰ্দ্ধাৰণ কৰা হৈছে। গণৰ লক্ষণৰ ফালৰ পৰা প্ৰত্যেক চৰণত জ গণ, ভ গণ, স গণ আৰু জ গণ আৰু লগতে শেষৰ বৰ্ণটো গুৰু হোৱা দেখা গৈছে।

ৰুচিৰা ছন্দৰ লক্ষণৰ পৰা দেখা যায় যে এই শ্লোকফাঁকি ৰুচিৰা ছন্দত ৰচিত। এই শ্লোকফাঁকিৰ প্ৰত্যেক চৰণত চতুৰ্থ আৰু নৱম বৰ্ণৰ মূৰে মূৰে যতি পৰিছে।



জানি থোৱা ভাল

- জ আৰু ভ (জঃ চ ভঃ চ) একেলগে সমাসত জভৌ হয়। তেনেদৰে স আৰু জ (সঃ চ জঃ চ) একেলগে সজৌ হয়।
- ৰুচিৰা ছন্দৰ সূত্ৰত 'গিতি' শব্দটো আপুনি পাইছে। 'গ' আখৰটোৱে 'গুৰু' বুজাবলৈ ব্যৱহাৰ হয়। কিন্তু গ ইতি এইদৰে ভাঙিলে 'গেতি' হ'লহেতেন। ইয়াত

গ্ ইতি এইদৰে গিতি কৰা হৈছে। ইয়াত গ্ আখৰটিয়ে গুৰু বুজাবলৈহে ব্যৱহাৰ হৈছে। ছন্দৰ সূত্রটোতো ৰুচিৰা ছন্দৰ প্রয়োগ দেখুৱাবলৈ 'গিতি' বুলি (গ্ ইতি) লিখা হৈছে।

- আপুনি জনাটো উচিত যে ছন্দঃ পদটো ক্লীৱলিঙ্গ। স্ কাৰান্ত ছন্দস্ শব্দৰ প্রথমা বিভক্তিৰ একবচনত ছন্দঃ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ "ৰুচিৰা ছন্দটি সমবৃত্তীয়।" —বাক্যটি শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্রশ্ন নং ৮ ঃ ৰুচিৰা ছন্দৰ প্রত্যেকটি চৰণত কেইটাকৈ বর্ণ থাকে লিখক।

.....

প্রশ্ন নং ৯ ঃ ৰুচিৰা ছন্দৰ সূত্রত থকা ক্রমমতে গণবোৰৰ নাম লিখক।

.....

প্রশ্ন নং ১০ ঃ ৰুচিৰা ছন্দৰ চৰণত কোন কোন বর্ণৰ পিছত যতি পৰে লিখক।

.....

প্রশ্ন নং ১১ ঃ ৰুচিৰা ছন্দৰ সূত্রটি মুখস্থ লিখক।

.....

প্রশ্ন নং ১২ ঃ ৰুচিৰা ছন্দৰ সূত্রটোত থকা বর্ণবোৰৰ লঘু, গুৰু মাত্রা নির্ণয় কৰক।

.....

১৩.৩.৩মালিনী ছন্দৰ সূত্র, উদাহৰণসহ আলোচনা আৰু লগতে আন এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ

আপুনি ৰুচিৰা ছন্দৰ সূত্রৰ ব্যাখ্যা উদাহৰণসহ অধ্যয়ন কৰিলে। ৰুচিৰা ছন্দত ৰচিত আন এটি শ্লোকৰ বিশ্লেষণো অধ্যয়ন কৰিলে। ৰুচিৰা ছন্দৰ প্রথম উদাহৰণটি ছন্দোমঞ্জৰীৰ পৰা লোৱা হৈছে আৰু অতিৰিক্ত উদাহৰণটি অভিজ্ঞানশকুন্তলম্ নাটকৰ পৰা সংগ্রহ কৰা হৈছে।

ইয়াত আপুনি মালিনী ছন্দৰ সূত্রৰ ব্যাখ্যা এটি উদাহৰণসহ অধ্যয়ন কৰিব পাৰিব। ছন্দোমঞ্জৰীত মালিনী ছন্দৰ লক্ষণ এইদৰে নির্ণয় কৰা হৈছে—

"ননমযযযুতেয়ং মালিনী ভোগিলোকৈঃ"।

ননমযযযুতা ইয়ং মালিনী ভোগিলোকৈঃ —অর্থাৎ ন গণ, ন গণ, ম গণ আৰু দুটা য গণ যুক্ত ছন্দকেই মালিনী বোলা হয়। এই ছন্দৰ চৰণত প্রথমতে অষ্টম বর্ণ আৰু পিছত সপ্তম বর্ণত যতি পৰে।

মালিনী ছন্দৰ চৰণত গণৰ স্থিতি এনেকুৱা—

ন ন ম য য

ᴗ ᴗ ᴗ | ᴗ ᴗ ᴗ | — — — | ᴗ — — | ᴗ — —

"ᴗ" চিনটো লঘু আৰু "—" চিনটো গুৰু বৰ্ণক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। সূত্ৰত থকা 'ভোগ' শব্দই আঠ আৰু 'লোক' শব্দই সাতক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। মালিনী ছন্দৰ প্ৰত্যেকটি চৰণত প্ৰথম ছটি বৰ্ণ, দশম বৰ্ণ আৰু ত্ৰয়োদশ বৰ্ণ লঘু। প্ৰত্যেক চৰণত সপ্তম,অষ্টম, নৱম, একাদশ, দ্বাদশ, চতুৰ্দশ আৰু পঞ্চদশ বৰ্ণ গুৰু।

মালিনী ছন্দৰ উদাহৰণৰূপে তলত শ্লোক এটি বিশ্লেষণ কৰা হৈছে।

ন ন ম য য

ᴗ ᴗ ᴗ | ᴗ ᴗ ᴗ | — — — | ᴗ — — | ᴗ — —

মৃ গ ম | দ কৃ ত | চ র্চা পী | তকৌশে | য়ৱাসা

ᴗ ᴗ ᴗ | ᴗ ᴗ ᴗ | — — — | ᴗ — — | ᴗ — —

ৰু চি ৰ | শিখিশি | খণ্ডাহ্ ব | দ্ধধম্মি | ল্লপাশা।

ᴗ ᴗ ᴗ | ᴗ ᴗ ᴗ | — — — | ᴗ — — | ᴗ — —

অ নৃজু | নি হিত | মংসেবং | শমুৎক্কা | ণয়ন্তী

ᴗ ᴗ ᴗ | ᴗ ᴗ ᴗ | — — — | ᴗ — — | ᴗ — —

ধৃ ত ম | ধু ৰি পু | লীলামা | লিনীপা | তুৰাধা।।

ওপৰৰ শ্লোকফাঁকিৰ প্ৰত্যেক চৰণত পোন্ধৰটিকৈ বৰ্ণ আছে। বৰ্ণবোৰৰ কোনটো লঘু আৰু কোনটো গুৰু সেইটো নিৰ্ণয় কৰা হৈছে। তিনিটাকৈ বৰ্ণৰ গোটত একোটাকৈ গণ নিৰ্দ্ধাৰণ কৰা হৈছে। গণবোৰৰ লক্ষণ মতে ইয়াত ক্ৰমে ন গণ, ন গণ, ম গণ, য গণ আৰু য গণ হোৱা দেখা গৈছে। গতিকে মালিনী ছন্দৰ সূত্ৰ মতে এই শ্লোকফাঁকি মালিনী ছন্দত ৰচিত হৈছে। এই শ্লোকফাঁকিক মালিনী ছন্দৰ উদাহৰণ হিচাপে গ্ৰহণ কৰিব পাৰি।

তলত আন এটি শ্লোক অতিৰিক্ত উদাহৰণ হিচাপে উল্লেখ কৰা হ'ল। পূৰ্ব্বৰ শ্লোকটি ছন্দোমঞ্জৰীৰ পৰা লোৱা হৈছে। এতিয়া ইয়াত অভিজ্ঞানশকুন্তলম্ নাটকৰ পৰা শ্লোক এটি লিখি বিশ্লেষণ কৰা হ'ল—

ন ন ম য য

ᴗ ᴗ ᴗ | ᴗ ᴗ ᴗ | — — — | ᴗ — — | ᴗ — —

স ৰ সি | জ ম নু | বিদ্ধংশৈ | ৱলেনা | পিৰম্যং

ᴗ ᴗ ᴗ | ᴗ ᴗ ᴗ | — — — | ᴗ — — | ᴗ — —

ম লি ন | ম পিহি | মাংশোল | ক্ষ্মলক্ষ্মীং | তনোতি।

ᴗ ᴗ ᴗ | ᴗ ᴗ ᴗ | — — — | ᴗ — — | ᴗ — —

ই য় ম | ধি ক ম | নোজ্ঞাৰ | স্কলেনা | পিতম্বী
∪ ∪ ∪ | ∪ ∪ ∪ | — — — | ∪ — — | ∪ — —
কিমিৰ | হি ম ধু | ৰাণাংম | ণ্ডনং না | কৃতীনাম্।

এই শ্লোকফাঁকিৰ প্ৰত্যেক চৰণত পোন্ধৰটিকৈ বৰ্ণ আছে। এই বৰ্ণবোৰৰ গুৰু আৰু লঘু বিচাৰ কৰা হৈছে। তিনিটা তিনিটা বৰ্ণৰ যোগত একোটাকৈ গণ নিৰ্ণয় কৰা হৈছে। তিনিটা লঘুৰ সমষ্টিত ক্ৰমে দুটা ন গণ, তিনিটা গুৰুৰ সমষ্টিত ম গণ, আদি লঘু আৰু বাকী দুটা বৰ্ণ গুৰু হোৱাত দুটা য গণ হোৱা দেখা গৈছে। মালিনী ছন্দৰ লক্ষণ মতে উদ্ধৃত শ্লোকৰ প্ৰত্যেকটি চৰণ ক্ৰমে ন গণ, ন গণ, ম গণ, য গণ আৰু য গণত ৰচিত হৈছে। এতেকে এই শ্লোকফাঁকি মালিনী ছন্দত ৰচিত। ইয়াত দ্বিতীয় চৰণৰ আটাইতকৈ শেষৰ বৰ্ণ 'তি'ৰ ই-কাৰ লঘুহে হব লাগিছিল। কিন্তু, ছন্দৰ প্ৰয়োজন মতে 'তি'ৰ ই-কাৰক গুৰু বুলি ধৰা হৈছে।



জানি থোৱা ভাল

- ভোগ শব্দই সাপৰ ফণাক বুজায়। ভোগ (ফণা) আছে যাৰ এই অর্থত ভোগ শব্দত ইনি প্ৰত্যয় যোগ হৈ ভোগী হৈছে। কিন্তু ভোগী আৰু লোক পদৰ সমাস হোৱাত ভোগী পদটোত বিভক্তি লুপ্ত হৈ ভোগি হৈছে। ভোগ শব্দই সাপ অর্থাৎ নাগক বুজাইছে। সেইকাৰণেই অষ্ট নাগ এই অর্থত ভোগ শব্দটোৱে আঠক বুজাইছে।
- লোক শব্দই সাত লোক এই অর্থত সাতক বুজাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৩ ঃ গণৰ তিনিওটা বৰ্ণ লঘু হ'লে তাক ন গণ বোলা হয়। বাক্যটি শুদ্ধ নে অশুদ্ধ লিখক।

.....

প্ৰশ্ন নং ১৪ ঃ মালিনী ছন্দৰ প্ৰত্যেক চৰণত ক'ত যতি পৰে লিখক।

.....

প্ৰশ্ন নং ১৫ ঃ মালিনী ছন্দৰ সূত্ৰটোত কি কি গণ আছে বিচাৰ কৰি লিখক।

.....

.....

.....

.....

প্ৰশ্ন নং ১৬ ঃ মালিনী ছন্দৰ প্ৰত্যেকটি চৰণত কেইটিকৈ বৰ্ণ থাকে লিখক।

.....

প্ৰশ্ন নং ১৭ ঃ মালিনী ছন্দ সমবৃত্তীয় নে?

.....

প্ৰশ্ন নং ১৮ ঃ মালিনী ছন্দৰ আন এটি নাম লিখক।

.....



১৩.৪ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- মন্দাক্রান্তা ছন্দৰ সূত্ৰ উদাহৰণসহ শিকিলে। মন্দাক্রান্তা ছন্দৰ এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণ শিকিলে। মন্দাক্রান্তা ছন্দৰ সূত্ৰৰ অসমীয়া ব্যাখ্যা জানিলে।
- ৰুচিৰা ছন্দৰ সূত্ৰ উদাহৰণসহ জানিলে। ৰুচিৰা ছন্দৰ সূত্ৰৰ অসমীয়া ব্যাখ্যা শিকিলে। ৰুচিৰা ছন্দৰ অতিৰিক্ত উদাহৰণ হিচাপে এটি শ্লোকৰ বিশ্লেষণ অধ্যয়ন কৰিলে।
- মালিনী ছন্দৰ সূত্ৰ আৰু লগতে উদাহৰণ শিকিলে। মালিনী ছন্দৰ সূত্ৰৰ অসমীয়া ব্যাখ্যা জানিলে। মালিনী ছন্দৰ এটি অতিৰিক্ত উদাহৰণৰ বিশ্লেষণো অধ্যয়ন কৰিলে।
- য, ৰ, ত, ভ, জ, স, ম আৰু ন গণৰ লক্ষণ অধ্যয়ন কৰিলে।
- ছন্দৰ সূত্ৰত থকা ক্ৰম অনুসৰি গণবোৰ উল্লেখ কৰিব লাগে বুলি জানিলে।
- অম্বুধি, ৰস, নগ, গ্ৰহ, ভোগী, লোক শব্দবোৰ যে যথাক্ৰমে চাৰি, ছয়, সাত, ন, আঠ আৰু সাতক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে সেইটো অধ্যয়ন কৰিলে।
- যতি শব্দটোৰ অৰ্থও আপুনি জানিলে।
- উদাহৰণৰূপে দিয়া শ্লোকৰ চৰণত থকা বৰ্ণবোৰৰ লঘু আৰু গুৰু নিৰ্ণয় কৰাও অধ্যয়ন কৰিলে।




১৩.৫ অধিক জানিবলৈ

১) কালিদাস; (১৯৮২); *শ্ৰুতবোধঃ*; *সংস্কৃত সাহিত্য সম্ভাৰ ১২ ভাগ*; কলিকতা ঃ নৱপত্ৰ প্ৰকাশন।

২) মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্য, *বৃত্তমঞ্জৰী*; অসম সংস্কৃত ব'ৰ্ড।

৩) Bose, R. M.; The Metres used in the play– *Abhijnan Sakuntalam.*

৪) Sastri Khanduri, Acharya Pt. Satyanarayan, (ed.) *ছন্দোমঞ্জৰী— 'সুধা' সংস্কৃত হিন্দী ব্যাখ্যোপেতম্*।



১৩.৬ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ মন্দাক্রান্তা ছন্দৰ প্রত্যেকটি চৰণত সোতৰটিকৈ বর্ণ থাকে।

২নং প্রশ্নৰ উত্তৰ ঃ মেঘদূত কাব্যখন আদিৰ পৰা অন্তলৈকে মন্দাক্রান্তা ছন্দত ৰচিত।

৩নং প্রশ্নৰ উত্তৰ ঃ ম ভ ন ত ত গ গ।

৪নং প্রশ্নৰ উত্তৰ ঃ 'অম্বুধি' শব্দই চাৰি, 'ৰস' শব্দই ছয় আৰু 'নগ' শব্দই সাতক বুজাবলৈ প্রয়োগ কৰা হৈছে।

৫নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬নং প্রশ্নৰ উত্তৰ ঃ ম ভ ন ত ত গ গ

— — — | — ∪ ∪ | ∪ ∪ ∪ | — — ∪ | — — ∪ | — —

মন্দাক্রা ন্তাহম্বুধি ৰসন গৈর্মোভ নৌ তৌগ যুগ্মম্।

৭নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৮নং প্রশ্নৰ উত্তৰ ঃ ৰুচিৰা ছন্দৰ প্রত্যেক চৰণত তেৰটিকৈ বর্ণ থাকে।

৯নং প্রশ্নৰ উত্তৰ ঃ জ, ভ, স, জ গণ আৰু গ।

১০নং প্রশ্নৰ উত্তৰ ঃ চতুর্থ আৰু তাৰ পিছত নৱম বর্ণৰ পিছত যতি পৰে।

১১নং প্রশ্নৰ উত্তৰ ঃ "জভৌ সজৌ গিতি ৰুচিৰা চতুর্গ্রহৈঃ।

১২নং প্রশ্নৰ উত্তৰ ঃ ∪ — ∪ | — ∪ ∪ | ∪ ∪ — | ∪ — ∪ | —

জভৌ সজৌ গিতি ৰুচিৰা চতুর্গ্রহৈঃ।

১৩নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১৪নং প্রশ্নৰ উত্তৰ ঃ অষ্টম আৰু সপ্তম বর্ণৰ মূৰত যতি পৰে।

১৫নং প্রশ্নৰ উত্তৰ ঃ ন ন ম য য

∪ ∪ ∪ | ∪ ∪ ∪ | — — — | ∪ — — | ∪ — —

ননম যযযু তে য়ং মালিনী ভোগিলোকৈঃ।

মালিনী ছন্দৰ সূত্রটিত পোন্ধৰটি বর্ণ আছে। প্রত্যেকটি বর্ণৰ লঘু আৰু গুৰু বিচাৰ কৰি তিনিটাকৈ বর্ণেৰে গণ নির্ণয় কৰা হৈছে। গণৰ লক্ষণ মতে তিনিওটি বর্ণ লঘু হোৱাত প্রথম দুটা ন গণ, তাৰ পিছত তিনিওটা বর্ণ গুৰু হোৱাত ম গণ হৈছে। ম গণৰ পিছত দুটা গণৰ প্রত্যেকটিৰেই আদি বর্ণ লঘু হোৱাত য গণ হৈছে।

১৬নং প্রশ্নৰ উত্তৰ ঃ প্রত্যেকটি চৰণত পোন্ধৰটিকৈ বর্ণ আছে।

১৭নং প্রশ্নৰ উত্তৰ ঃ সমবৃত্তীয়।

১৮নং প্রশ্নৰ উত্তৰ ঃ মালিনী।



১৩.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ শুদ্ধ শব্দটো লিখক—

ক) গণৰ তিনিওটি বৰ্ণ লঘু হলে ম গণ/ন গণ/ৰ গণ হয়।

খ) স গণত শেষৰ বৰ্ণটো লঘু / গুৰু হ'ব লাগে।

গ) ম গণৰ তিনিওটি বৰ্ণ লঘু / গুৰু হ'ব লাগে।

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মন্দাক্রান্তা ছন্দৰ সূত্রটিত যতিৰ স্থান বুজাবলৈ কি কি শব্দ ব্যৱহাৰ হৈছে লিখক।

প্ৰশ্ন ২ ঃ মালিনী ছন্দৰ সূত্রটি মুখস্থ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তলত উল্লেখ কৰা ছন্দবোৰৰ ভিতৰত যিকোনো দুটি ছন্দ উদাহৰণ দি বুজাই লিখক— মালিনী, ৰুচিৰা, মন্দাক্রান্তা।

*** ***** ***